**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 24-07-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া সমষ্টিৰ প্ৰশাসনিক, শৈক্ষিক, দক্ষতা বিকাশ, ক্ৰীড়া আৰু যোগাযোগ খণ্ডৰ আন্তঃগাঁথনি বিকাশৰ পদক্ষেপৰ অংশ হিচাপে প্ৰায় ১৩০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ ভিতৰত নাহৰকটীয়া সম-জিলা আয়ুক্তৰ কাৰ্যালয়, নামৰূপ-নাহৰকটীয়া পথ উৰণসেঁতু, নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় ভৱন, কুঁৱৰী গাঁও উচ্চ মাধ্যমিক বিদ্যালয় ভৱন, হকী ষ্টেডিয়াম আৰু নাহৰকটীয়া ঔদ্যোগিক প্ৰতিষ্ঠানৰ উৎকৰ্যতা কেন্দ্ৰ আছে। এই উপলক্ষে দিয়া ভাষণত ড০ শৰ্মাই কয়, যে বিগত পাঁচ বছৰত নাহৰকটীয়া বাসীয়ে উন্নয়ন আৰু বিকাশৰ নতুন যাত্ৰা প্ৰত্যক্ষ কৰিবলৈ সমৰ্থ হৈছে। এই উন্নয়ন যাত্ৰাই নাহৰকটীয়াক নতুন শিখৰলৈ লৈ যাব বুলি তেওঁ আশা প্ৰকাশ কৰে। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে ১১ হাজাৰ কোটি টকা ব্যয়ৰে নামৰূপ সাৰ কাৰখানাক গ্ৰীণ ফিল্ড হিচাপে নতুনকৈ নিৰ্মাণ কৰা আৰু পুৰণি সাৰ কাৰখানাটোকো পুনৰুজ্জীৱিত কৰাৰ অভিলাষী প্ৰকল্প গ্ৰহণ কৰিছে। নুমলীগড় শোধনাগাৰে সমষ্টিটোত ৭৫০ কোটি টকা ব্যয়ৰে এটা উদ্যোগ স্থাপনৰ সিদ্ধান্ত লৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। বিগত পাঁচ বছৰত ৰাজ্য চৰকাৰে জনসাধাৰণৰ জীৱনলৈ অভূতপূৰ্ব পৰিৱৰ্তন আনিবলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে উদ্যোগৰ ক্ষেত্ৰত ৰাজ্যত পাঁচ লাখ কোটিটকৈও অধিক বিনিয়োগ হৈছে, ৰাস্তাঘাটৰ ক্ষেত্ৰত প্ৰতিদিনে ১০ কিলোমিটাৰতকৈ অধিক পথৰ নিৰ্মাণ সম্পূৰ্ণ কৰা হৈছে। তেওঁ কয়, যে ৰাজ্যত ২৪ খনতকৈ অধিক চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম বিভিন্ন পৰ্যায়ত আছে। ১৩ খনকৈ নতুন বিশ্ববিদ্যালয়, ব্ৰহ্মপুত্ৰৰ ওপৰত নতুন দলং, দ্বৈত ৰেলপথ, ৰেলপথৰ বৈদ্যুতিকীকৰণেৰে ৰাজ্যত বিশাল কৰ্মযজ্ঞৰ সূচনা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

অনুষ্ঠানত পৰিবহণ মন্ত্ৰী যোগেন মহন, দক্ষতা, নিয়োগ আৰু উদ্যমিতা আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন আৰু নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈ উপস্থিত থাকে।

ooooo

ৰাজ্যৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই আজি নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক ৰাজ্যৰ শেহতীয়া খৰাং সদৃশ পৰিস্থিতিৰ বিষয়ে অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে এই পৰিস্থিতিৰ জোৰা মৰাৰ বাবে ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিৰ পৰা সাহায্য আগবঢ়াবলৈ আৰু ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজিৰ পৰা ৰাজ্যই পাবলগীয়া অৱশিষ্ট কেন্দ্ৰীয় ধনৰাশি মোকলাই দিবলৈ গৃহমন্ত্ৰীগৰাকীক অনুৰোধ জনায়। তেওঁ লগতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত দুৰ্যোগ ব্যৱস্থাপনা প্ৰণালী অধিক পেছাগত কাৰিকৰী দক্ষতাৰে সমৃদ্ধ কৰিব পৰাকৈ ৰাজ্যত ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ উত্তৰ-পূৰ্বাঞ্চল চৌহদ স্থাপনৰ বাবেও আহ্বান জনায়। ৰাজ্যবাসীৰ মাজত

দুৰ্যোগ সম্পৰ্কীয় বাস্তৱ সময় আধাৰিত সঠিক আৰু ফলপ্ৰসূ সতৰ্কবাণী প্ৰচাৰৰ বাবে অসমত চেল ব্ৰডাকষ্টিং প্ৰযুক্তি ৰূপায়ণৰ বাবেও শ্ৰী মহন্তই প্ৰস্তাৱ আগবঢ়ায়।

ooooo

কোকৰাঝাৰৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি বি টি চিৰ পৰিষদীয় নিৰ্বাচনৰ প্ৰস্তুতিৰ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত ৰাজ্যিক নিৰ্বাচন আয়ুক্ত ৰঞ্জন শৰ্মাই বি টি চি নিৰ্বাচনৰ বিভিন্ন দিশৰ পৰ্যালোচনা কৰে। বৈঠকত ৰাজ্যিক নিৰ্বাচন আয়োগৰ সচিব গীতাৰ্থ বৰুৱাৰ লগতে জিলা আৰু আৰক্ষী প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ২৬ জুলাই, শনিবাৰে নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত 'গ্ৰীষ্মকালীন শিবিৰ' সম্পৰ্কত এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত আয়োজিত গ্ৰীষ্মকালীন শিবিৰৰ প্ৰাসংগিকতা সন্দৰ্ভত আকাশবাণীৰ সংবাদদাতা আৰু আন কেইগৰাকীমান অভিজ্ঞ ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা পৰিস্মিতা দিহিঙীয়া আৰু অৰুণিমা গোস্বামীৰ।

ooooo

১৩৪ সংখ্যক অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত আজি জামছেদপুৰ এফ চিয়ে নেপালৰ ত্ৰিভূবন আৰ্মী ফুটবল দলক ৩-২ গলত পৰাস্ত কৰে। খেলখনৰ চাৰি মিনিটতে ছাৰ্থকে গল দি জামছেদপুক অগ্ৰগতি প্ৰদান কৰে যদিও ২৬ মিনিটত জিঅ'ৰ্গিয়ে দিয়া গলেৰে ত্ৰিভূবন আৰ্মীয়ে সমতা স্থাপন কৰে। ইয়াৰ পাছত জামছেদপুৰে ৩১ মিনিটত মনবীৰ সিঙৰ গলেৰে পুনৰ অগ্ৰগতি লাভ কৰে। বিৰতিৰ পাছত ত্ৰিভূবন আৰ্মী ফুটবল দলে সংঘবদ্ধভাৱে খেলি সফলতা অৰ্জন কৰে আৰু ৬৪ মিনিটত অনন্তৰ গলেৰে খেলত সমতা স্থাপন কৰে। পাছত জামছেদপুৰৰ হৈ ৭১ মিনিটত নিখিল বাৰ্লাই নিৰ্ণায়ক গলটো দিয়ে। প্ৰতিযোগিতাত কাইলৈ কোনো খেল অনুষ্ঠিত নহয়। পৰহিলৈ মেঘালয়ৰ শ্বিলঙত হ'বলগীয়া পৰৱৰ্তী খেলত শ্বিলং লাজং এফ চি, মালয়েছিয়াৰ আৰ্মী ফুটবল দলৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলত বিয়লি ৪ বজাত আৰম্ভ হ'ব।

ooooo

ভাৰত আৰু ইংলেণ্ডৰ মাজত অ'ল্ড ট্ৰেফ'ৰ্ডত চলি থকা চতুৰ্থ ক্ৰিকেট টেষ্টৰ আজি দ্বিতীয় দিনা ভাৰতে ৩৫৮ ৰানত প্ৰথম ইনিংছ সামৰে। ভাৰতে চাৰি উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ২৬৪ ৰানৰ পৰা খেল আৰম্ভ কৰি মাত্ৰ ৯৪ ৰান যোগ দিবলৈ সমৰ্থ হয়। ছাই সুদৰ্শন ৬১ ৰান কৰি, ছাৰ্দুল ঠাকুৰে ৪১ ৰান আৰু ৰবীন্দ্ৰ জাডেজাই ২০ ৰান কৰি আউট হয়। কালি আঘাতপ্ৰাপ্ত হৈ খেলপথাৰ ত্যাগ কৰিবলগীয়া হোৱা ভাৰতৰ উপ-অধিনায়ক ঋষভ পণ্ট বেটিং কৰিবলৈ আহে আৰু ভাৰতৰ ৰান সংখ্যা আগবঢ়াবলৈ চেষ্টা কৰে। পণ্ট ৫৪ ৰানত আউট হয়। ইংলেণ্ডৰ হৈ বেন ষ্টʼকছে ৫ টা আৰু জফ্ৰা আৰ্চাৰে ৩ টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ইংলেণ্ডে আমালৈ বাতৰি অহাৰ পৰলৈকে প্ৰথম ইনিংছত এটাও নেহেৰুওৱাকৈ ১১৯ ৰান সংগ্ৰহ কৰিছে।

ooooo

সমাপ্ত